International Theatre Institute
World Organization for the Performing Arts
Indian Centre of ITI

IAPAR
INTERNATIONAL ASSOCIATION FOR PERFORMING ARTS AND RESEARCH

**বিশ্ব নাট্য দিৱসৰ বাৰ্তা : ২৭ মাৰ্চ ২০২৩**

**সমিহা আয়ুব, ইজিপ্ত** (ইজিপ্তৰ অভিনেত্ৰী)

**অসমীয়া অনুবাদ : গুণমণি বৰুৱা**

তিনিচুকীয়া, অসম

সমগ্ৰ বিশ্বৰ নাট্যশিল্পী বন্ধুসৱলৈ

বিশ্ব নাট্য দিৱসৰ এই শুভক্ষণত সমগ্ৰ বিশ্বৰ নাট্য বন্ধু সকলক উদ্দেশ্যি এই বাৰ্তা লিখিবলৈ লৈ মই যিদৰে আনন্দত অভিভূত হৈ পৰিছোঁ ঠিক সেই একেদৰে সাম্প্ৰতিক সময়ত আমাৰ নাট্যশিল্পী বা অন্যান্য শিল্পী সকলে ভুগি থকা যন্ত্ৰণাৰ কথা ভাবি মোৰ শৰীৰৰ প্ৰতিটো কোষ কঁপি উঠিছে ।সাম্প্ৰতিক বিশ্বৰ ভিন্ন সংঘাত, যুদ্ধ, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে আমাৰ জীৱনলৈ কঢ়িয়াই আনিছে অস্থিৰতা । ফলস্বৰূপে আমাৰ কেৱল পাৰ্থিৱ জগতখনেই নহয় ই আমাৰ আধ্যাত্মিক জগতৰ লগতে আমাৰ মানসিক শান্তিও ব্যাহত কৰিছে।

আজি এনে এটা সময়ত মই আপোনাসবক সম্বোধন কৰিছোঁ যিটো সময়ত মোৰ এনে এক অনুভৱ হৈছে যেন সমগ্ৰ বিশ্ব এটা নিৰ্জন দ্বীপলৈ পৰিবৰ্তিত হৈছে বা পৰিবৰ্তিত হৈছে কুঁৱলীৰ সীমনাত মাজ সাগৰত দিশহাৰা হোৱা গুৰিয়ালহীন এখন জাহাজলৈ। যি উন্মাদ সমুদ্ৰত পাৰ বিচাৰি হাহাঁকাৰ কৰি ফুৰিছে কিন্ত পাৰাপাৰ নাই। অথচ যাত্ৰা অবিৰত এক সুৰক্ষিত বন্দৰ পোৱাৰ আশাত।

আজিৰ দিনত সমগ্ৰ বিশ্ব পৰস্পৰে পৰস্পৰৰ লগত খুউব নিকট ভাবে সম্পৰ্কৃত, যিটো আগতে কেতিয়াও হোৱা নাছিল, অথচ আজিৰ দিনতেই আমি পৰস্পৰে পৰস্পৰৰ পৰা বহুত বেছি বিছিন্ন । এইয়া এক ডাঙৰ নাটকীয় বিড়ম্বনা যিটো সমসাময়িক বিশ্বই আমাৰ ওপৰত জাপি দিছে। আধুনিক যোগাযোগ ব্যৱস্থাৰ দ্বাৰা বিশ্বৰ বিভিন্ন প্ৰান্তৰ খবৰ দ্ৰুত গতিৰ সম্প্ৰচাৰে ভৌগোলিক পৰিসীমাৰ বাধা অতিক্ৰম কৰি যিদৰে আমাক ক্ষিপ্ৰতাৰে কাষ চপাই আনিছে ঠিক তাৰ বিপৰীতে আমি এয়াও প্ৰত্যক্ষ কৰিছোঁ যে সংঘাত আৰু তীব্ৰ চাপৰ সন্মুখীন হৈ আমি মৌলিক ভাৱধাৰাৰ যুক্তিক নস্যাৎ কৰি আমি যেন সৰল মানৱীয় প্ৰকৃত ৰূপৰ পৰা আতৰি আহিছো।

নাট্যকলা মূলতঃ প্ৰকৃত মানৱীয় গতিবিধিক ভিত্তি কৰি নিৰ্মাণ কৰা এক বিশুদ্ব মানৱীয় কাৰ্য্য, যি জীৱনক নিৰ্দ্দেশিত কৰে। মহান মনীষী কনস্তানটিন স্তানাস্লভস্কিৰ ভাষাত “বোকা ভৰিৰে কেতিয়াও নাট্য জগতত প্ৰৱেশ নকৰিবা” । ধূলি মাকটি সদৃশ আমাৰ ব্যক্তিগত ক্ষুদ্ৰ ক্ষুদ্ৰ চিন্তা, শংকা, সংঘাত, সৰু সৰু অসুবিধা বোৰ আমি এজন ব্যক্তিৰ কেৱল এটা জীৱন লৈ অভিনয় কৰোঁ। কিন্তু এই জীৱনে আন বহু জীৱন সৃষ্টি কৰাৰ এক অসামান্য ক্ষমতা থাকে। যাক সৃষ্টি

Avartan, 5 Hill View Society, 46/4 Erandawane, Paud Road, Pune, Maharashtra 411038
Email: iapar.india@gmail.com

কৰি আমি মঞ্চৰ পৰা হাজাৰ জনলৈ বিয়পাই দিওঁ যাতে তাৰ সুগন্ধি সৌৰভ আন বহুজনলৈ সম্প্ৰচাৰিত হয়।

এগৰাকী নাট্যকাৰ, পৰিচালক, অভিনেতা, দৃশ্যনিৰ্মাতা, সংগীতজ্ঞ, নৃত্য নিৰ্দেশক, কাৰিকৰী শিল্পী হিচাপে আমি পৰস্পৰৰ মাজত কোনো পাৰ্থক্য নোহোৱাকৈ এটা জীৱনৰ নিৰ্মাণ কৰোঁ। উপস্থাপন কৰাৰ পূৰ্বে এই জীৱনৰ কোনো অস্তিত্ব নাথাকে। ই সম্পূৰ্ণ নতুন মঞ্চৰ এই নৱ জীৱনে এখন সহায়ৰ হাত বিচাৰে যিয়ে ইয়াক যত্ন লব পাৰে, এখন মমতাময়ী বক্ষ বিচাৰে যিয়ে ইয়াক আকোঁৱালি লব পাৰে, ইয়াৰ প্ৰতি সহানুভূতিশীল হোৱা এখন সু-হৃদয় বিচাৰে আৰু বিচাৰে এক শান্ত সচেতন মন যিয়ে ইয়াক জীয়াই থকাৰ সপক্ষে যুক্তি ডাঙি ধৰিব পাৰে।

এই কথাষাৰ ছাঁগে মোৰ অতিৰঞ্জিত নহব যদি মই কওঁ যে আমি শূন্য অৱস্থাৰ পৰা মঞ্চত এক নৱ জীৱনৰ ৰূপায়ণ কৰোঁ। এই জীৱন আন্ধাৰত জিলিকি থকা অঙঠাৰ দৰে যিয়ে আমাক আন্ধাৰ নাশি পোহৰ দিয়ে লগতে শীত নিৰীক্ষণ কৰি আমাক উমাল কৰে। দৰাচলতে আমিয়েই জীৱনক বৈভৱ প্ৰদান কৰি তাৰ উৎকৰ্ষ সাধন কৰোঁ, অধিক প্ৰকাশিত কৰোঁ, অধিক অৰ্থপূৰ্ণ কৰোঁ, জীৱনক অধিক উপলব্ধি কৰিবলৈ আমিয়েই যুক্তি প্ৰদান কৰোঁ আৰু আমিয়েই কলাৰ উজ্জ্বল দীপ্তৰ সহায়ত অৱজ্ঞা আৰু সন্ত্ৰাসৰূপী অন্ধকাৰৰ সৈতে সন্মুখীন হওঁ। আমিয়েই এটা জীৱনৰ দৰ্শনক আকোঁৱালি আগবাঢ়োঁ যাতে সেই জীৱনৰ আদৰ্শ সমগ্ৰ বিশ্বতে বিয়পি পৰে। ইয়াৰ বাবে আমি আমাৰ সমস্ত শ্ৰম, সময়, ঘাম, তেজ, অশ্ৰু  উৎসৰ্গা কৰোঁ যাতে আমি আমাৰ লক্ষ্যত উপনীত হব পাৰোঁ। সত্য, সুন্দৰ আৰু মূল্যবোধক ৰক্ষা কৰিব পাৰোঁ আৰু যাতে গভীৰ ভাবে বিশ্বাস কৰিব পাৰোঁ যে জীৱন উপভোগ কৰি জীয়াব লাগে।

সকলো কলাৰে পিতৃ স্বৰূপ নাট্যকলাৰ এই বিশ্ব নট্য দিৱসত মই আপোনালোকক নাট্য দিৱস উদযাপন বা কেৱল কব লাগে বুলিয়েই আপোনাসৱৰ বাবে এই বাৰ্তা লিখা নাই। ইয়াৰ দ্বাৰা মই আপোনালোকক আহ্বান জনাইছোঁ যে সকলোৱে হাতে হাত ধৰি কান্ধত কান্ধ মিলাই থিয় দিয়ক আৰু অভ্যস্ত ভাবে মঞ্চত কৰাৰ দৰে সকলোৱে সমস্বৰে এই বাৰ্তা প্ৰেৰণ কৰক যাতে সমগ্ৰ বিশ্বৰে নৈতিক চেতনা জাগ্ৰত হৈ উঠে। সকলোৱে স্ব অন্তঃকৰণে নিজৰ মাজত হেৰাই যোৱা সচা  মানৱীয়তাৰ প্ৰকৃত অৰ্থৰ সন্ধান কৰে। য'ত মানুহ মুক্ত, সহনশীল, সহানুভূতিশীল, মৰমীয়াল, নম্ৰ আৰু গ্ৰহনীয় হওক। বিনাশ হওক ঘৃণনীয় নৃশংসকতা, ৰক্তাক্ত সংঘাত,একমুখী চিন্তাধাৰা আৰু সন্ত্ৰাসবাদৰ দৰে নিকৃষ্ট প্ৰতিচ্ছবি।

মানুহে এই পৃথিৱীত, এই মুক্ত আকাশৰ তলত বহু হাজাৰ বছৰ ধৰি খোজ কাঢ়ি আহিছে আৰু খোজ কাঢ়ি থাকিব লাগিব। গতিকে মানৱে যুদ্ধ, ৰক্তাক্ত সংঘাত আদিৰ দৰে আৱৰ্জনা বোৰৰ পৰা নিজৰ পদযুগল আতৰাই আনি ইয়াক মঞ্চৰ দুৱাৰদলিৰ বাহিৰতে পৰিত্যাগ কৰিব লাগিব। সন্দেহৰ কলীয়া ডাৱৰৰ আৱৰ্তত থকা আমাৰ সচাঁ মানৱীয়তাক আকৌ এবাৰ জাগ্ৰত কৰি আমাক মানুহ হিচাপে গৌৰৱান্বিত কৰি তোলাৰ লগতে আমি কব পাৰিব লাগিব যে ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই থকা আমি এক মানৱজাতি।

আমি নাট্যশিল্পী। জ্ঞানৰ শিখা কঢ়িয়াই ফুৰা আমাৰ শিল্পী সকলৰ এয়াই লক্ষ্য যে সকলোৱে সন্মুখত থাকি এই বিভৎস, ৰক্তাক্ত আৰু অমানৱীয় পৃথিৱীৰ সৈতে সুন্দৰতা, বিশুদ্ধতা আৰু সচাঁ মানৱতাৰে সন্মুখীন হব লাগিব। এই অভিযান মঞ্চৰ প্ৰথমজন অভিনেতাৰ পৰা এতিয়ালৈকে চলি আহিছে। জীৱনক সুন্দৰ আৰু বিস্তৃতভাবে সম্প্ৰসাৰিত কৰাৰ ক্ষমতা কেৱল আমাৰহে আছে অন্যৰ নাই। আহক আমি সকলোৱে সন্মিলিত ভাবে মাৰ বান্ধি থিয় হওঁ কেৱল এখন বিশ্ব আৰু এক মানৱজাতি গঢ়াৰ স্বাৰ্থত।

---